**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 05-01-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

## ***Headlines***

১। মঙলদৈ বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ ৩১ হাজাৰ ১৭ গৰাকী মহিলাক আজি উদ্যমিতা অভিযানৰ চেক বিতৰণৰ কাৰ্যসূচী।

২। সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ তৎপৰতা বৃদ্ধি। বিজেপিয়ে প্ৰাৰ্থী বাছনিৰ ক্ষেত্ৰত তৃণমূল পৰ্যায়ৰ কৰ্মীৰ প্ৰস্তাৱ বিবেচনা কৰিব বুলি মুখ্যমন্ত্ৰীৰ মন্তব্য।

৩। ৩১ জানুৱাৰীৰ ভিতৰত সকলো ছাত্ৰ-ছাত্ৰীৰে আপাৰ পৰিচয় পত্ৰ পূৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ জিলা শিক্ষা বিষয়াক ৰাজ্য চৰকাৰৰ নিৰ্দেশ।

আৰু

৪। অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলত আজি পুৱা ৫ দশমিক ১ প্ৰাবল্যৰ মজলীয়া ভূমিকম্পৰ জোকাৰণি অনুভূত।

০০০০০০০

মঙলদৈ বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ ৩১ হাজাৰ ১৭ গৰাকী মহিলাক উদ্যমিতা অভিযানৰ চেক বিতৰণ কাৰ্যসূচী আজি অনুষ্ঠিত হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই কাৰ্যসূচীত অংশ লৈছে। মুখ্যমন্ত্ৰীয়ে অনুষ্ঠানত অংশ লৈ মহিলাসকলৰ সবলীকৰণৰ কাৰণে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। মঙলদৈৰ পুনিয়াত দৰং চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ নিৰ্মাণস্থলীত আয়োজন কৰা এই কাৰ্যসূচীত দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়া, বিধায়ক বসন্ত দাস আৰু ভালেসংখ্যক লোক উপস্থিত আছে।

০০০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে বিজেপি আৰু কংগ্ৰেছকে ধৰি ৰাজনৈতিক দলসমূহৰ তৎপৰতা বৃদ্ধি পাইছে। বিজেপিয়ে প্ৰাৰ্থী বাছনিৰ ক্ষেত্ৰত তৃণমূল পৰ্যায়ৰ কৰ্মীসকলৰ প্ৰস্তাৱ আৰু পৰামৰ্শৰ ওপৰত নিৰ্ভৰ কৰি পাছত ৰাজ্যিক পৰ্যায়ত বাছনি কৰি প্ৰাৰ্থীৰ নাম দিল্লীলৈ অনুমোদনৰ বাবে প্ৰেৰণ কৰিব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ লগতে দলটোত কোনেও নিজে প্ৰাৰ্থিত্বৰ বাবে চেষ্টা কৰিব নোৱাৰে বুলিও স্পষ্ট কৰি দিয়ে।

বাইট

নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিজেপিয়ে আজিৰেপৰা ৰাজ্যজুৰি দেৱাল লিখন কাৰ্যসূচীৰ আয়োজন কৰিছে। বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ উপস্থিতিত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই খানাপাৰাৰ কেন্দ্ৰীয় বিদ্যালয়ৰ সন্মুখত এই দেৱাল লিখন কাৰ্যসূচী শুভাৰম্ভ কৰে। এই কাৰ্যসূচীত বিজেপিৰ সাংসদ মন্ত্ৰী,

বিধায়ক, ৰাজ্যিক মৰ্চাৰ সভাপতি, জিলা পৰিষদৰ সদস্যকে ধৰি সকলো কাৰ্যকৰী সদস্যই অংশ লয়। এই দেৱাল লিখন শুভাৰম্ভ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে দেৱালত লিখাৰ বাবে ঘৰৰ গৰাকীৰ পৰা অনুমতি লোৱা হ'ব। ইয়াৰ জৰিয়তে গণসংযোগ আৰু প্ৰচাৰ দুয়োটা কাৰ্যই সম্পন্ন হ'ব বুলি তেওঁ কয়।

ডিব্ৰুগড় বিধানসভা সমষ্টিৰ ৪১ নম্বৰ বুথত কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড়ৰ সাংসদ সৰ্বানন্দ সোণোৱালে বিজেপিৰ কৰ্মকৰ্তাসকলৰ সৈতে দেৱাল লিখন কাৰ্যসূচীত অংশ ল'ব।

সমাগত বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে ৰাজ্যৰ বিভিন্ন প্ৰান্তত গৈ দলৰ সাংগঠনিক ভেটি সুদৃঢ় কৰাত গুৰুত্ব দিছে। শ্ৰী গগৈয়ে কালি ঢকুৱাখনাত যুৱ কংগ্ৰেছে আয়োজন কৰা এটা বিশেষ কাৰ্যসূচীত অংশ লোৱাৰ লগতে পদযাত্ৰাত ভাগ লয়।

০০০০০০০

ৰাজ্য চৰকাৰে অহা ৩১ জানুৱাৰীৰ ভিতৰত সকলো ছাত্ৰ-ছাত্ৰীৰে APAAR পৰিচয় পত্ৰ পূৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ জিলা শিক্ষা বিষয়াসকলক নিৰ্দেশ দিছে। সমগ্ৰ শিক্ষা, অসমৰ মিছন সঞ্চালকৰ কাৰ্যালয়ে এই সন্দৰ্ভত জাৰি কৰা নিৰ্দেশত উল্লেখ কৰা অনুসৰি বিগত বৰ্ষৰ ৩১ ডিচেম্বৰ পৰ্যন্ত ৭৯ শতাংশ ছাত্ৰ-ছাত্ৰীৰ APAAR পৰিচয় পত্ৰ পূৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে। আধাৰ কাৰ্ড থকা ১১ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে এতিয়াও অপাৰ পৰিচয় পত্ৰৰ বাবে আবেদন কৰা নাই। আধাৰকাৰ্ড নথকা ১২ শতাংশ ছাত্ৰ-ছাত্ৰীৰ APAAR পৰিচয় পত্ৰত নাম সন্নিবিষ্ট কৰাৰ বাবে প্ৰক্ৰিয়া অব্যাহত আছে। সমগ্ৰ শিক্ষা, অসমৰ মিছন সঞ্চালকে শিক্ষা বিভাগৰ অতিৰিক্ত জিলা আয়ুক্ত, সমগ্ৰ শিক্ষা, অসমৰ জিলা মিছন সমন্বয়ক, বিদ্যালয় পৰিদৰ্শক আৰু জিলা শিক্ষা বিষয়ালৈ এই সন্দৰ্ভত জাননী জাৰি কৰিছে। জাননীৰ সৈতে আধাৰ আৰু APAAR পৰিচয় পত্ৰ নথকা ছাত্ৰ-ছাত্ৰীৰ একোখনকৈ তালিকা গাঁথি দিয়া হৈছে। উল্লেখযোগ্য যে APAAR পৰিচয় পত্ৰ হৈছে ৰাষ্ট্ৰীয় শিক্ষা সংস্কাৰ পৰিকাঠামো, যাৰ জৰিয়তে প্ৰতিগৰাকী শিক্ষাৰ্থীৰ জীৱনজোৰা ডিজিটেল শৈক্ষিক পৰিচয় সৃষ্টিৰ লক্ষ্যৰে শিক্ষাৰ্থীসকলক ১২ টা সংখ্যাযুক্ত একোটাকৈ ডিজিটেল পৰিচয় প্ৰদান কৰা হ'ব।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সৰুপথাৰত ৭২ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে সৰুপথাৰ বিধানসভা সমষ্টিৰ ২৩ হাজাৰ ৭৫৪ গৰাকী আত্মসহায়ক গোটৰ সদস্যাৰ মাজত মহিলা উদ্যমিতা অভিযানৰ ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰিব। ড° শৰ্মাই সৰুপথাৰত ১২ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা লাভলীনা বৰগোহাঁই ক্ৰীড়া প্ৰকল্প উদ্বোধনৰ লগতে বৰপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন ভৱন, বৰপথাৰ শিশু উদ্যান আৰু গেলাবিল আৰু দুবৰণি পথ উদ্বোধন কৰিব। তেওঁ লগতে অসমমালাৰ অধীনত ২৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া বৰপথাৰ-গোলাঘাট সংযোগী পথৰ প্ৰথম পৰ্যায় আৰু মিছামাৰী-বিলপথাৰ তথা অভংপথাৰ-শ্যামগাঁও মথাউৰিৰ আধাৰশিলা স্থাপন কৰিব। আজি দিনৰ ১ বজাত লাভলীনা বৰগোহাঁই ক্ৰীড়া প্ৰকল্পত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰী অজন্তা নেওগ, কাজিৰঙাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকন উপস্থিত থাকিব।

০০০০০০০

অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ কেউখন ৰাজ্যত আজি পুৱা অনুভূত হোৱা ভূমিকম্পত মৰিগাঁও জিলাৰ ন-ডোলাবৰি গাঁৱৰ তিনিজন লোক আঘাতপ্ৰাপ্ত হয়। ভূমিকম্পত ভীতিগ্ৰস্ত হৈ খৰধৰকৈ ঘৰৰ পৰা বাহিৰলৈ যোৱাৰ সময়ত লোককেইজন আঘাতপ্ৰাপ্ত হয়। লোককেইজনক মৰিগাঁও অসামৰিক চিকিৎসালত প্ৰাৰম্ভিক চিকিৎসা প্ৰদান কৰা হয়। চামগুৰিতো ভূমিকম্পৰ ফলত এটা বাসগৃহৰ এখন দেৱাল ভাঙি পৰাত দুজনকৈ লোক আহত হোৱাৰ বাতৰি পোৱা গৈছে। উল্লেখযোগ্য যে আজি পুৱা ৪ বাজি ১৭ মিনিটত ৫ দশমিক ১ প্ৰাবল্যৰ মজলীয়া ভূমিকম্পই অসমকে ধৰি কাষৰীয়া অঞ্চলসমূহ জোকাৰি যায়। ভূমিকম্পৰ অভিকেন্দ্ৰ মৰিগাঁও জিলাৰ ধিং অঞ্চলত ভূ-পৃষ্ঠৰ পৰা ৫০ কিলোমিটাৰ গভীৰত বুলি জানিব পৰা গৈছে। ভূমিকম্পৰ জোকাৰণি বাংলাদেশ, ভূটান, নেপালতো অনুভূত হয়।

oooooooo

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সহযোগত দক্ষিণ শালমাৰা মানকাছৰ জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই হাটশিঙিমাৰী মহাবিদ্যালয়ত আজিৰে পৰা জৰুৰীকালীন ব্যৱস্থাপনা অনুশীলন কাৰ্যসূচী অনুষ্ঠিত কৰিছে। তিনিদিনীয়াকৈ আয়োজিত এই কাৰ্যসূচী জিলাখনৰ অতিৰিক্ত আয়ুক্ত কুমাৰ গৌৰৱ দাসে মুকলি কৰে। অনুশীলন কাৰ্যসূচীত যিকোনো দুৰ্যোগৰ পূৰ্বে বা দুৰ্যোগৰ পাছত বিভিন্ন বিভাগৰ প্ৰয়োজনীয় ব্যৱস্থা তথা কৰিবলগীয়া কাম-কাজ সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদান কৰা হ'ব।

oooooo

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত চলি থকা অসম গ্ৰন্থ মেলাত আজি দিনৰ আঢ়ৈ বজাত অসমীয়া নাট্য **আন্দোলন ঃ পৰম্পৰা আৰু বিৱৰ্তন** শীৰ্ষক আলোচনা সত্ৰ অনুষ্ঠিত হ'ব। বিশিষ্ট নাট্যকাৰ, নাট পৰিচালক দুলাল ৰয়ে এই আলোচনা সত্ৰ উদ্বোধন কৰিব। নাট্যকাৰ তথা নাট পৰিচালক জিতেন শৰ্মাই পৰিচালনা কৰিবলগীয়া এই আলোচনা সত্ৰত নাট্যকাৰ কৰুণা ডেকা, নাট পৰিচালক মাণিক আহমেদ, লেখক-নাট সমালোচক সঞ্জীৱ কুমাৰ শৰ্মা, লেখক-অধ্যাপক ড০ মৃণালজ্যোতি গোস্বামী আৰু লেখক তথা শিক্ষণ মহাবিদ্যালয় চিৰাঙৰ অধ্যক্ষ ড০ ছৈয়দা নাছিফা ইছলাম ৰাজবংশী আলোচক অতিথি হিচাপে উপস্থিত থাকিব। সন্ধিয়া ৭ বজাৰ পৰা সাংস্কৃতিক অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ শিশু শিল্পী, চেমনীয়া শাখা, যুৱ বাণী তথা সাধাৰণ শাখাৰ কণ্ঠশিল্পী, ঘোষক, ঘোষিকা, বাতৰি পৰিৱেশকসকলে বাৰেৰহণীয়া অনুষ্ঠান পৰিৱেশন কৰিব। গ্ৰন্থমেলাৰ বাকৰিত আজি সন্ধিয়া ওড়িয়া সাহিত্যৰ বিশিষ্ট সাহিত্যিক পাৰমিতা শতপথীৰ সৈতে অন্তৰংগ আলাপো অনুষ্ঠিত হ'ব।

ooooooo

গুৱাহাটীৰ জ্যোতি চিত্ৰবনত অহা ২২ জানুৱাৰীত চাৰিদিনীয়া কাৰ্যসূচীৰে গুৱাহাটী এছীয় চলচ্চিত্ৰ মহোৎসৱৰ আয়োজিত হ'ব। উত্তৰ পূৰ্বাঞ্চলৰ সাংস্কৃতিক জগতখনক উজলাই তোলাৰ লক্ষ্য আগত ৰাখি এইবেলি এই মহোৎসৱ দ্বিতীয় বাৰৰ বাবে আয়োজন কৰা হৈছে। এই মহোৎসৱত প্ৰদৰ্শিত হ'বলগীয়া চলচ্চিত্ৰসমূহৰ তালিকা আজি ঘোষণা কৰা হয়। মহোৎসৱৰ উদ্বোধনী চলচ্চিত্ৰ হিচাপে শ্বোকিৰ খুলিক'ভে পৰিচালনা কৰা উজবেকিস্তানী চলচ্চিত্ৰ **চানডে** প্ৰদৰ্শন কৰা হ'ব। আলৰেজা ঘাছেমি আৰু ৰাহা আমিৰ ফজলীৰ

যুঁটীয়া পৰিচালনাৰ ইৰাণী চলচ্চিত্ৰ **ইন দ্য লেণ্ড অব ব্ৰাডাৰ্ছৰ** প্ৰদৰ্শনীৰে এই মহোৎসৱৰ সামৰণি পৰিব। এই অনুষ্ঠানত কিম্বদন্তী ভাৰতীয় চলচ্চিত্ৰ পৰিচালক গিৰিশ কাছাৰাৱল্লিয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

০০০০০০

ভাৰতীয় গণসংযোগ প্ৰতিষ্ঠান, IIMC-য়ে ইয়াৰ ৬০ বছৰীয়া যাত্ৰাত নতুন শৈক্ষিক মাইলৰ খুটি হিচাপে PHD পাঠ্যক্ৰম আৰম্ভ কৰিছে। এইবাৰ প্ৰথমবাৰৰ বাবে সংবাদমাধ্যম আৰু গণসংযোগ অধ্যয়নত PHD-ৰ বাবে নামভৰ্তি কৰা হ'ব। সাংবাদিকতা, ডিজিটেল মিডিয়া আৰু কৌশলগত যোগাযোগৰ গৱেষণাৰ বাবে IIMC-য়ে এই ডক্টৰেট ডিগ্ৰী প্ৰদানৰ ব্যৱস্থা কৰিছে।

০০০০০০০

কাৰ্বি জনগোষ্ঠীয় লোকসকলে আজি পৰম্পৰাগতভাৱে ৰংকেৰ কাৰক্লি উৎসৱ পালন কৰিছে। এই উৎসৱত শস্যৰ সমৃদ্ধি আৰু গাঁওবাসীৰ কল্যাণৰ বাবে দেৱ-দেৱীসকলক পূজা-অৰ্চনা কৰা হয়। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই এই উৎসৱ উপলক্ষে কাৰ্বি ভাই-ভনীসকলক শুভেচ্ছা জনোৱাৰ লগতে তেওঁলোকৰ কুশল-মংগল কামনা কৰে।

০০০০০০০

**সমাপ্ত**